৩ পৃষ্ঠাত

৪ পৃষ্ঠাত

১০ পৃষ্ঠাত

# অসম আদিত্য

RNI REGN. No
epaper
Portal : w
e-mail : as

৩ আঘোণ, ১৯৪৭ শক ■ বৃহস্পতিবাৰ, ২০ নৱেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Thursday, November 20, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকা

### কানৈ তিনি মহাবিদ্যালয়ে ঐক্যবদ্ধ হৈ দেখুৱালে আদৰ্শ ঃ সমূহীয়া অনুষ্ঠান ত্ৰিকৰ্ণ গঠনৰ প্ৰস্তাৱ

## গীত-নৃত্যৰে জুবিন গাৰ্গ-চৈয়দ চাদুল্লাক সোঁৱৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১৯ নৱেম্বৰ ঃ** যি সময়ত সমগ্ৰ পৃথিৱীত বিভাজনৰ ৰাজনীতি চলিছে, সমগ্ৰ বিশ্বত অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিত দিশত ক্ষুদ্ৰ ক্ষুদ্ৰ ভাগত ভাগ হৈ নিশকতীয়া হৈ পৰিছে, যি সময়ত জাতি-জনগোষ্ঠী, ধৰ্ম, সম্প্ৰদায় ভাগ ভাগ হৈ পৰিছে, সেই সময়তে ডিব্ৰুগড়ৰ তিনি মহাবিদ্যালয় ক্ৰমে—ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত), ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ বাণিজ্য মহাবিদ্যালয়, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত একত্ৰিত হৈ পোন প্ৰথমবাৰৰ বাবে অসমৰ সংগীত জগতৰ সদ্য প্ৰয়াত উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গ আৰু চৈয়দ চাদুল্লাৰ স্মৃতিচাৰণ অনুষ্ঠান আয়োজন কৰে। জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিন উপলক্ষে তিনি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ১৮ নৱেম্বৰত আয়োজন কৰা এই সভাখন বন্তি প্ৰজ্বলনেৰে উদ্বোধন কৰে ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। উদ্বোধনী ভাষণত তেওঁ কয়—এয়া নতুন প্ৰজন্মৰ ইতিবাচক চিন্তা-চৰ্চাৰ ফল। পৃথিৱী ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনগোষ্ঠীৰ মাজত বিভাজন হোৱাৰ যি পৰিৱেশ সৃষ্টি হৈছে, সেই সময়তে তিনি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই একত্ৰিত হৈ ব্যতিক্ৰম আদৰ্শ দেখুৱাবলৈ সক্ষম হৈছে। তেওঁ কয়, আজি প্ৰতিযোগিতামূলক যুগত প্ৰথম হ'ব খুজিলে, অকলশৰে আগবাঢ়ি যোৱা উচিত। যদিহে সফলতা লাভ কৰিব বিচাৰে তেন্তে সকলোৰে হাতত হাত ধৰি একেলগে, ঐক্যবদ্ধভাৱে আগবাঢ়ি যোৱা উচিত। তিনি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা তিনিখনে যিদৰে একতাৰে এক মহান কৰ্ম সাধন কৰি দুগৰাকী বৰণ্য শিল্পীক স্মৰণ কৰিবলৈ সমবেত হৈছে সেয়া অসমীয়া জাতিৰ বাবে ইতিবাচক দিশ বুলি তেওঁ উল্লেখ কৰে। জুবিন গাৰ্গৰ জীৱন দৰ্শন উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে কয়—সুৰ যদি সত্য, সুন্দৰ হয়, সপোনৰ হয়, সেই সুৰে মানুহৰ হৃদয় জিনিব পাৰে, মানুহৰ হৃদয়ত স্পন্দন তুলিব পাৰে। জুবিন গাৰ্গৰ কণ্ঠ আৰু সুৰে তিনি মহাবিদ্যালয়ক একত্ৰিত কৰাৰ পৰিৱেশ সৃষ্টি কৰিলে বুলি তেওঁ কয়। অধ্যক্ষগৰাকীয়ে তিনি মহাবিদ্যালয়ে ভাষা-সাহিত্য-সংস্কৃতি, গৱেষণা, অধ্যয়ন সমূহীয়াভাৱে আগুৱাই নিবলৈ 'ত্ৰিকৰ্ণ' নামৰ এটা অনুষ্ঠান জন্ম দিয়াৰ কথাও উল্লেখ কৰে। সভাত মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ অনুপজ্যোতি ভৰালীয়ে তিনিখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি, সম্পাদকসকলক ধন্যবাদ জনাই কয়— ই এক সুদূৰপ্ৰসাৰী সিদ্ধান্তৰ আৰম্ভণি। তিনি মহাবিদ্যালয়ে ভৱিষ্যতে ইয়াতকৈও অধিক শক্তিশালী ৰূপত সমাজৰ উত্তৰণৰ বাবে একেলগ হৈ কাম কৰি যাব বুলি তেওঁ কয়। সভাত কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ জয়দেৱ গগৈয়ে একতাৰে কাম কৰি গ'লে জীৱনত সফলতা লাভ কৰিব পাৰে বুলি কয়। একতাই বল আৰু বিভাজনেই দুৰ্বল বুলি উল্লেখ কৰি অধ্যক্ষগৰাকীয়ে এয়া অসমৰ বাবে এক সুখবৰ বুলি উল্লেখ কৰে। তেওঁ সমাজৰ সকলো দিশতে আগুৱাই নিব পৰাকৈ তিনি মহাবিদ্যালয়ৰ সমূহীয়া অনুষ্ঠান 'ত্ৰিকৰ্ণ' গঠন কৰাৰ পোষকতা কৰে। সভাত তিনি মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ একতা সভাৰ সভাপতি, সম্পাদকৰ লগতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকল আৰু কেইবাশতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অনুষ্ঠানত জুবিন গাৰ্গৰ সংগীত চৰ্চা কৰাৰ লগতে আৰু নানা ৰঙী নৃত্য-গীত পৰিৱেশন কৰা হয়।

